**অসম চৰকাৰ**
**অসম বিধান সভা অধিবেশন ২০২৬**
**গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ,**
**তৰাবিহীন প্ৰশ্ন নং -৪৫৪**
**উত্তৰ দিয়াৰ তাৰিখ ২৩-০৭-২০২৬**

**বিষয় :** **জিলা উন্নয়ন প্ৰাধিকৰণৰ কাৰ্য্য পৰিধি আৰু ক্ষমতা।**

**বিধায়কৰ নাম** – **শ্ৰীচক্ৰধৰ গগৈ :**

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

**প্ৰশ্ন:**

(ক) অসমত কিমানখন জিলাত উন্নয়ন প্ৰাধিকৰণ আছে ? এই প্ৰাধিকৰণসমূহৰ প্ৰয়োজনীয়তা কেনেধৰ ? বিৱৰণ দি জনাব।

(খ) এই প্ৰাধিকৰণসমূহৰ কাৰ্য্য পদ্ধতি আৰু ক্ষমতা কেনেধৰণৰ ? জনাব ।

(গ) ডিব্ৰুগড় জিলা প্ৰাধিকৰণে প্ৰস্তুত কৰা মাষ্টাৰ প্লেনৰ ভিতৰত ডিব্ৰুগড় নগৰৰ পৰা ৪০/৫০ কিলোমিটাৰ আঁতৰত থকা ভিতৰুৱা গাওঁসমূহ কিয় অন্তৰ্ভুক্ত কৰা হ'ল ? যাৰ বাবে দুখীয়া কৃষকসকলে ভূমিৰ আৱন্টন পোৱাত হেঙাৰ হৈ পৰিছে। ভৱিষ্যতে কৃষকসকলক কেনেকৈ ভূমি আৱন্টন দিব পৰা যাব ? জনাব।

**উত্তৰ:**

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ প্ৰদান কৰিব:

(ক) এতিয়ালৈকে অসমত গঠন কৰা মুঠ উন্নয়ন প্ৰাধিকৰণ হৈছে ২৫ খন। এইসমূহ হৈছে- তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, নাজিৰা-শিমলুগুৰি, তেজপুৰ, নগাঁও, জাগীৰোড, নলবাৰী, বঙাইগাঁও, শিলচৰ, গোলাঘাট, উত্তৰ লখিমপুৰ, সোণাৰী, ডিফু, দেৰগাঁও, বিশ্বনাথচাৰিআলি, কৰিমগঞ্জ, ধুবুৰী-গৌৰীপুৰ, মঙ্গলদৈ, গোৱালপাৰা, কোকৰাঝাৰ, ধেমাজী, বৰপেটা আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ (GMDA) ।

সাম্প্ৰতিক সময়ৰ দ্ৰুত নগৰীকৰণ আৰু আধুনিক জীৱন-যাত্ৰাৰ সৈতে সংগতি ৰাখি সুগম আৰু পৰিকল্পিত সা-সুবিধা প্ৰদানেৰে উন্নয়ন সাধনৰ বাবে অসমত উন্নয়ন প্ৰাধিকৰণৰ প্ৰায়োজনীয়তা উপলব্ধি কৰি' অসম নগৰ আৰু গাঁও পৰিকল্পনা আইন, ১৯৫৯,ৰ জৰিয়তে এই উন্নয়ন প্ৰাধিকৰণসমূহ গঠন কৰা হৈছে। এই প্ৰাধিকৰণসমূহ গঠনৰ লক্ষ্য হৈছে – নগৰ আৰু নগৰীয়া উপকণ্ঠ অঞ্চলক সামৰি মাষ্টাৰ প্লেন প্ৰস্তুত কৰি পৰিকল্পিত উন্নয়নৰ নীতিক আধাৰ কৰি জনসাধাৰণক সৰ্বাংগীন কল্যাণৰ সা-সুবিধা প্ৰদান কৰা আৰু উন্নয়ন মূলক আঁচনিসমূহৰ প্ৰস্তুতকৰণ, বলবৎকৰণ আৰু কাৰ্য্যকৰীকৰণ নিশ্চিত কৰা। ইয়াৰ উপৰিও জনসাধাৰণৰ জনস্বাস্থ্য, সুৰক্ষা আৰু সাধাৰণ কল্যাণৰ বাবে উপযুক্ত জীৱনধাৰণৰ পৰিৱেশ নিশ্চিত কৰাটো ইয়াৰ অন্যতম দায়িত্ব। গতিকে উন্নয়ন প্ৰাধিকৰণসমূহৰ প্ৰয়োজনীয়তা আছে।

(খ) অসম নগৰ আৰু গাঁও পৰিকল্পনা আইন, ১৯৫৯ (সংশোধিত)ত নিৰ্ধাৰিত কাম-কাজ তলত উল্লেখ কৰা হ'ল :-

মাষ্টাৰ প্লেন ৰূপায়ন, অট্টালিকা নিৰ্মাণ, অট্টালিকা পৰিবৰ্তন বা সংস্কাৰ, অট্টালিকা আঁতৰোৱা আদিৰ অনুমতি প্ৰদান কৰা। নগৰ আৰু নগৰৰ উপকণ্ঠ অঞ্চলত উন্নয়ন আঁচনি প্ৰস্তুত আৰু ৰূপায়ন, আন্ত:গাঁথনি আৰু অন্যান্য সেৱা (ৰাষ্টা নিষ্কাশন, নলা, পানী যোগান আদি)। বিন্যাস কৰা ওপৰৰ কাম সমূহ সম্পন্ন কৰাৰ বাবে নগৰ উন্নয়ন কৰ্তৃপক্ষৰ কিছু আৰ্থিক ক্ষমতাও আছে। কাৰ্য্যপদ্ধতি আৰু ক্ষমতা নিৰ্ধাৰিত কৰি দিয়া ১৯৫৯ (সংশোধিত) আইনৰ দফাৰ **প্ৰতিলিপি পৰিশিষ্ট "ক" ত সংলগ্ন কৰা হ'ল।**

এই আইনৰ উপবন্ধ সমূহ আৰু ইয়াৰ অধীনত প্ৰস্তুত কৰা নিয়মাৱলী আৰু ৰাজ্য চৰকাৰে সময়ে সময়ে দিব পৰা যি কোনো নিৰ্দেশনাৰ সাপেক্ষে, উন্নয়ন প্ৰাধিকৰণৰ কাৰ্য্য হ'ব মহাপৰিকল্পনা (Master Plan) অনুসৰি অঞ্চলৰ উন্নয়নক উদগনি দিয়া আৰু সুৰক্ষিত কৰা।

নিৰ্দিষ্ট কৰা কাৰ্য্যসমূহৰ উপৰিও গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ নিম্নলিখিত ক্ষমতা আৰু কাৰ্য্যাৱলী থাকিব: -

- .অঞ্চলটোৰ জৰীপ চলোৱা বা জৰীপ চলাবলৈ বাধ্য কৰা আৰু তেনে জৰীপৰ প্ৰতিবেদন প্ৰস্তুত কৰা।
- গুৱাহাটী মহানগৰীয় অঞ্চলৰ বাবে মহাপৰিকল্পনা (Master Plan) প্ৰস্তুত কৰা বলবৎ কৰা আৰু কাৰ্য্যকৰী কৰা।
- উন্নয়ন আঁচনি সমূহ প্ৰস্তুত কৰা আৰু কাৰ্য্যকৰী কৰা; প্ৰয়োজন হ'লে ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব ( PPP) পদ্ধতি বা যুটীয়া উদ্যোগৰ জৰিয়তে ।
- গুৱাহাটী মহানগৰীয় অঞ্চলৰ ভিতৰত কাম কৰি থকা ৰাজ্য চৰকাৰৰ সকলো বিভাগ আৰু সংস্থা বা স্থানীয় কৰ্তৃপক্ষৰ উন্নয়নমূলক কাৰ্য্যকলাপৰ সমন্বয় ৰক্ষা কৰা।

- প্ৰাধিকৰণৰ যি কোনো কাৰ্য্যকলাপৰ বাবে প্ৰয়োজনীয় বুলি গণ্য কৰা স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি অধিগ্ৰহণ কৰা, ধাৰণ কৰা আৰু পৰিচালনা কৰা আৰু তেনে সম্পত্তি লীজত দিয়া বা হস্তান্তৰ কৰা।
- চুক্তিৰ জৰিয়তে ভূমি ক্ৰয় কৰা বা লীজত লোৱা আৰু তাৰ ওপৰত প্ৰয়োজনীয় অট্টালিকা বা গাঁথনি নিৰ্মাণ কৰা।
- ইয়াৰ কৰ্তব্য পালন আৰু ক্ষমতা প্ৰয়োগৰ বাবে প্ৰয়োজনীয় হ'ব পৰা চুক্তি সম্পাদন কৰা।
- ওপৰত উল্লেখ কৰা কাৰ্য্যসমূহৰ সৈতে জড়িত সহায়ক বা আনুষংগিক আন যিকোনো কাৰ্য্য সম্পাদন কৰা।

এই আইনৰ ৩৪ নম্বৰ ধাৰা অনুসৰি উলংঘনৰ বাবে শাস্তি/জৰিমনা:- এই আইনৰ যিকোনো নিয়ম উলংঘন কৰা, অমান্য কৰা, পালন কৰিবলৈ অস্বীকাৰ কৰা বা বলবৎ কৰাত বাধা দিয়া যিকোনো ব্যক্তি, ফাৰ্ম (প্ৰতিষ্ঠান) বা নিগমৰ ওপৰত কৰ্তৃপক্ষই সৰ্বাধিক ৫০০ টকা পৰ্যন্ত জৰিমনা বিহিব পাৰে। অব্যাহত থকা উলংঘনৰ বাবে অতিৰিক্ত জৰিমনা: প্ৰথমবাৰ দোষী সাব্যস্ত হোৱাৰ পিছতো যদি সেই উলংঘন কাৰ্য্য অব্যাহত থাকে, তেন্তে ইয়াক এক সুকীয়া অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইয়াৰ বাবে প্ৰথম দোষী সাব্যস্ত হোৱাৰ পিছৰ দিন সমূহৰ বাবে দৈনিক ৫০ টকাকৈ অতিৰিক্ত জৰিমনা আৰোপ কৰিব পৰা যাব। আইনৰ ৮৫ নম্বৰ ধাৰা অনুসৰি অনুমোদিত উন্নয়নৰ বাবে বা মহাপৰিকল্পনা আৰু আঁচনিৰ সৈতে সংগতি নোহোৱাকৈ কৰা ব্যৱহাৰৰ বাবে শাস্তি:- অনুমোদিত উন্নয়ন বা ভূমিৰ ব্যৱহাৰ: কোনো ব্যক্তি বা প্ৰতিষ্ঠানে মহা পৰিকল্পনা (Master Plan), এলেকা বিভক্তকৰণ নিয়মাৱলী (Zoning Regulation) আৰু উন্নয়ন আঁচনিৰ ব্যৱস্থাৱলী উলংঘা কৰি, অথবা প্ৰয়োজনীয় অনুমতি নোলোৱাকৈ যিকোনো ভূমি বা ভৱনৰ উন্নয়নমূলক কাম কৰা বা ইয়াৰ ব্যৱহাৰ সলনি কৰাটো এক আইনী অপৰাধ। সতৰ্কীকৰণ জাননী নিয়ম উলংঘন হ'লে, কৰ্তৃপক্ষই প্ৰথমতে অভিযুক্ত ব্যক্তিলৈ এখন জাননী প্ৰেৰণ কৰিব আৰু জাননীত নিৰ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত সেই বেআইনী কাম বন্ধ কৰিবলৈ বা নিয়ম মানি চলিবলৈ নিৰ্দেশ দিব।

আইনী শাস্তি জাননী পোৱাৰ পিছতো যদি ব্যক্তিজনে নিয়ম উলংঘন কৰিয়েই থাকে, তেন্তে তেওঁৰ বিৰুদ্ধে গোচৰ চলোৱা হ'ব আৰু দণ্ডাধীশৰ দ্বাৰা দোষী সাব্যস্ত হ'লে তলত দিয়া ধৰণে শাস্তি বিহা হ'ব: ৫,০০০ টকালৈকে জৰিমনা, অনূৰ্ধ্ব ৬ মাহৰ সৰল কাৰাদণ্ড, অথবা এই দুয়োটা শাস্তি হ'ব পাৰে।

প্ৰথমবাৰ দোষী সাব্যস্ত হোৱাৰ পিছতো যদি নিয়ম উলংঘন কৰা কাৰ্য্য অব্যাহত থাকে, তেন্তে পৰৱৰ্তী সময়ছোৱাত প্ৰতিদিনৰ বাবে অতিৰিক্ত ২৫০ টকালৈকে জৰিমনা বিহা হ'ব।

আইনৰ ৮৭ নম্বৰ ধাৰা অনুসৰি অবৈধ উন্নয়ন বা নিৰ্মাণ কাৰ্য্য বন্ধ কৰাৰ ক্ষমতা:-মহাপৰিকল্পনা (Master Plan) বা উন্নয়ন আঁচনিৰ (Development Scheme) বিপৰীতে, অথবা কোনো প্ৰয়োজনীয় অনুমতি আৰু অনুমোদন অবিহনে (ধাৰা ২৫ আৰু ৩০ ৰ অধীনত) নাইবা অনুমোদনৰ চৰ্ত সমূহ উলংঘা কৰি কোনো নিৰ্মাণ বা উন্নয়ন মূলক কাম আৰম্ভ কৰিলে, কৰ্তৃপক্ষই সেই কাম বন্ধ কৰিবলৈ লিখিত আদেশজাৰী কৰিব পাৰে।

আইনৰ ৮৮ নম্বৰ ধাৰা অনুসৰি অবৈধ নিৰ্মাণ উচ্ছেদ বা ভাঙি পেলোৱাৰ ক্ষমতা:- যদি কোনো নিৰ্মাণ বা উন্নয়নমূলক কাম মহাপৰিকল্পনা (Master Plan) বা উন্নয়ন আঁচনিৰ নিয়ম উলংঘা কৰা হয়, অথবা আইনৰ ২৫ আৰু ৩০ নম্বৰ ধাৰাৰ অধীনত প্ৰয়োজনীয় অনুমোদন বা অনুমতি নোলোৱাকৈ কৰা হয়, তেন্তে কৰ্তৃপক্ষই তেনে নিৰ্মাণ ভাঙি পেলোৱা বা আঁতৰোৱাৰ নিৰ্দেশ জাৰি কৰিব পাৰে।

আইনৰ ৮৮ (4) নম্বৰ ধাৰা অনুসৰি অবৈধ নিৰ্মাণ ছীল কৰাৰ ক্ষমতা উন্নয়ন প্ৰাধিকৰণৰ যিকোনো অবৈধ নিৰ্মাণ কাৰ্য্য বা গৃহ ভাঙি পেলোৱা (demolition) বা নিৰ্মাণ কাৰ্য্য বন্ধ কৰাৰ নিৰ্দেশ দিয়াৰ পূৰ্বে বা পিছত, সেই নিৰ্মাণ বা চৌহদ ছীল কৰিব পাৰে।

(গ) প্ৰস্তাবিত ডিব্ৰুগড় মাষ্টাৰ প্লেন এলেকাৰ অন্তৰ্গত যিকোনো গাঁৱৰ ডিব্ৰুগড় চহৰৰ পৰা সৰ্বাধিক দূৰত্ব প্ৰায় ২০ কিলোমিটাৰ, ৪০-৫০ কিলোমিটাৰ নহয়। AMRUT –ৰ বিধান আৰু পৰিকল্পনা কাঠামো অনুসৰি বিশদ কাৰিকৰী অধ্যয়ন আৰু অংশীদাৰ সকলৰ সৈতে পৰামৰ্শৰ ভিত্তিত ২০৪৫ চনৰ হৰাইজন বৰ্ষক লক্ষ্য কৰি মুঠ ১৮৩ খন গাঁও মাষ্টাৰ প্লেন এলেকাত অন্তৰ্ভুক্ত কৰা হৈছে।

বিগত দহ বছৰত ডিব্ৰুগড়ত দ্ৰুত নগৰায়নৰ ফলত হোৱা বিকাশ আৰু অসমৰ দ্বিতীয় ৰাজধানী হিচাপে আত্মপ্ৰকাশৰ পৰিপ্ৰেক্ষিতত, আগন্তক বছৰ সমূহত চহৰখনৰ অধিক দ্ৰুত বিকাশ হোৱাৰ সম্ভাৱনা আছে। এই দৃষ্টিভংগীক সন্মুখত ৰাখি চিনাক্ত কৰা গাঁওসমূহ মাষ্টাৰ প্লেন এলেকাত অন্তৰ্ভুক্ত কৰা হৈছে, যাতে পৰিকল্পিত, সমন্বিত আৰু বহন ক্ষম উন্নয়ন নিশ্চিত কৰিব পৰা যায়, অপৰিকল্পিত নগৰ সম্প্ৰসাৰণ নিয়ন্ত্ৰণ কৰিব পৰা যায়, আৰু ভৱিষ্যতৰ আন্ত:গাঁঠনি তথা জনসেৱাৰ প্ৰয়োজনীয়তা সমূহ সঠিকভাৱে পূৰণ কৰিব পৰা যায়।

অসম নগৰ ও গাঁও পৰিকল্পনা আইন ১৯৫৯ চনৰ অধীনত প্ৰস্তুত কৰা সৰ্বাঙ্গীন পৰিকল্প নাই ভূমি আৰণ্টনৰ প্ৰক্ৰিয়াত হেঙাৰৰ সৃষ্টি নকৰে। ভূমি আৰণ্টনৰ প্ৰক্ৰিয়া সৰ্বাঙ্গীন পৰিকল্পনা প্ৰস্তুতৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নাই।

বি. দ্ৰ. :ওপৰত উল্লেখ কৰা পৰিশিষ্ট সমূহ অসম বিধান সভাৰ ৱেবচাইটত ( cms.neva.gov.in )আপলোড কৰা হৈছে

.<><><><><><><>.

be given to the member concerned and when such action is taken, the reasons thereof shall be placed or recorded.

**8. Filling of casual vacancies —** (1) When the place of a member nominated by the State Government becomes vacant by his resignation, removal or death, the State Government shall appoint a person to fill the vacancy.

(2) When the place of a member elected or co-opted becomes vacant, he shall be elected or co-opted by the Legislature or the Council as the case may be.

(3) The term of office of a member nominated or elected or co-opted, as the case may be, under sub-section (1) and (2) shall be the remainder of the term of office of the member on whose place he has been nominated or elected or co-opted.

## [1][CHAPTER – II-A

## Constitution of the Development Authority

**8A. Constitution of the Authority —** (1) The State Government may, by notification in the Official *Gazette*, constitute for the purposes of this Act, an Authority to be called "The ............ Development Authority" (hereinafter referred to as the Authority) with jurisdiction over such area as may be specified in the said notification :

["Provided that if the State Government is of opinion that in the exigencies of public service it is necessary to do so it may, instead of constituting the Authority, appoint an Administrator to exercise all the powers of the Development Authority under this Act.

The Administrator so appointed shall be deemed to be the Development Authority constituted under this Act and shall hold office during the pleasure of the Government."][2]

(2) The Authority shall be a body corporate having perpetual succession and a common seal with power to acquire, hold and dispose of properties both movable and immovable and to enter into any agreement, and shall by the said name *sue* and be *sued*.

**8B. Composition of the Authority —** (1) The Authority shall consist of the following members, namely —

(*a*) A Chairman to be appointed by the State Government;

---

1 Inserted as New Chapter IIA by the Assam Act No. XXXI of 1962, S.2 (w.e.f. 19-12-1962), published in the Assam Gazette Extraordinary No. (101), dated 26th November 1962.

2 Added the "proviso" after sub-section (1) of Section 8A, by the Assam Act No. VIII of 1985 Section 4 (with effect from 19-1-1985).

(b) Engineer-in-chief of the Authority to be appointed by the St Government;

(c) Town Planning Officer of the Authority to be appointed by t State Government ["who shall be the Member-Secretary of t Authority;"][1]

(d) Finance Officer to be appointed by the State Government;

(e) Deputy Commissioner or Subdivisional Officer, as the case may b

(f) Chairman or Chairman of the local authority or authorities cover by the Master plan;

(g) One member representing Commerce and Industry (*Private Secto* to be nominated by the State Government;

(h) One member representing the Railways, to be nominated by th State Government;

(i) One member representing Industry (*Public Sector*) to be nominate by the State Government;

(j) One person each from the local authorities covered by the Maste plan to be elected by the members at a meeting from amongst then

["(k) Director, Town and Country Planning Department of his nomine

(l) Chief Engineer. P.W.D. (*Roads and Buildings*) or his nominee;

(m) Chief Public Health Engineer or his nominee;

(n) Local Member or Members of the Assam Legislative Assembl covered by the Master Plan Area."][2]

(2) *Notification of Members* – The name of the members elected an appointed shall be published in the Official *Gazette*.

(3) *Disqualification for election or appointment as member* – A Person sha be disqualified for appointment, nomination or election as a member, if he, —

(a) has been convicted of any offence involving moral turpitude;

(b) is an applicant to be adjudicated as a bankrupt or insolvent or is a uncertificated bankrupt or undischarged insolvent;

(c) holds any office of profit under the Authority except those mentioned in clauses *(a), (b); (c)* and *(d)* of sub-section (1);

(d) has, directly or indirectly, by himself or by any partner, any share or interest, in any contract or employment with, by, or on behal of, the Authority; or

1. Added in clause (c) in sub-section (1) of Section "8B" by the Assam Act No. VIII of 1985, Section 5 (a)
2. Inserted clauses "(k), "(L)", "(m)" and "(n)" in sub-section (1) of Section 8B, by the Assam Act No. VII of 1985, Section 5 (b), (with effect from 19.1.1985) [Published in the Assam Gazette Extraordinary dated 3rd May, 1985] pp - 285 - 291

(e) is a Director, or a Secretary, Manager or other salaried Officer of any incorporated company which has any share or interest in any contract or employment, with, by, or on behalf of the Authority.

(4) *Removal of members* – The State Government may remove from the Authority any member including the Chairman who, –

(a) refuses to act or becomes incapable of acting or absents himself from three consecutive meetings of the Authority and is unable to explain such absence to the satisfaction of the Authority;

(b) has so flagrantly abused in any manner his position as a member of the Authority as to render his continuance detrimental to the public interest ;

Provided that when the State Government proposes to take any action under any of the above provisions, an opportunity shall be given to the member concerned to show cause why action as proposed should not be taken against him.

(c) ceases to be a member of the local Authority from which he was elected.

(5) A member removed under clauses *(a)* and *(b)* of sub-section (4) shall not be eligible for re-appointed or re-election, as the case may be.

**CASE–LAW**

*Section 8–B(2)* — The publication of notification in official Gazette is not a condition precedent for validity of appointment of member of Development Authority. It is a procedural aspect and non compliance will not result in invalidation of the appointment [***Prodip Nandy v. State of Assam,*** 1997(2) GLJ 295 : 1998(4) GLT 83].

*Section 8–B(4)* of the Act provides the grounds and the manner in which a member of the Board including Chairman may be removed by the State Govt. In the case between *Surajit Das v. State of Assam and others,* (2007) 3 GLR 653 : 2006 (3) GLJ 152) the Hon'ble Gauhati High Court found the service of notice upon the petition defective and as a result the writ petition was allowed. In the case observed that the law is well settled. That, in order to be effective, an order passed by the State or its functionaries must be communicate to the person who would be effected by that order and until the order is so communicated the said order is only provisional in character and cannot be acted upon.

*Section 8–B(4)* — In a case where the Development Authority was reconstituted during subsistence of entended of the petitioner without any notice. It is was held that the notification of reconstitution is in effect a removal order and the same could not have been issued without issuing notice to the petitioner and hence the notification was quashed. [*Prodip Nandy v. State of Assam* 1998(4) GLT 83].

**8C. Term of office and conditions of service of the Chairman and members of the Authority** — (1) The term of office and conditions of service

of the Chairman and members of the Authority shall be such as may be prescribed and they shall be entitled to receive such salaries and allowances as may be fixed by the State Government.

(2) The Chairman or any member may resign his membership of the Authority by giving notice in writing to the State Government on the resignation being accepted by the State Government, he shall cease to be a member of the Authority.

(3) Any vacancy created by resignation or removal shall be filled by fresh appointment or nomination by the State Government, or by election, as the case may be.

**8D. Functions and powers of the Authority** — Subject to the provisions of this Act, rules and directions of the State Government, the functions of the Authority shall be to promote and secure the development of the area according to the Master Plan and for that purpose it may carry out or cause to be carried out surveys of the area and to prepare report or reports of such surveys, and to perform any other function which is supplemental, incidental or consequential to any of the functions aforesaid or which may be prescribed.

**8E. Meeting of the Authority** — (1) Each Authority shall meet once in a month at such time and place and shall subject to the provisions of sub-sections (2) and (3) observe such procedure in regard to the transaction of business at its meeting, as may be prescribed by bye-laws to be framed under Section 74 of this Act.

(2) The Chairman, or in his absence any member chosen by the members from amongst themselves, shall preside at a particular meeting of the Authority.

(3) All questions of the meeting of the Authority shall be decided by a majority of the votes of the members present and voting and in the case of an equality of votes, the person presiding shall have a second or casting vote.

(4) Nothing done by the Authority in its meeting shall be held to be invalid because of any vacancy in the seats of the appointed, nominated or elected members or the absence of any of the members for any reason whatsoever.

(5) Minutes shall be kept of the names of the members present and of the proceedings at each meeting in a look to be kept for this purpose, which shall be signed at the next ensuing meeting by the person presiding at such meeting. and shall be open to inspection by any member during office hours.

["8EE. **Powers of Chairman** — The Chairman shall, for the transaction

of the business connected with this Act, or for the purpose of making any order authorised thereby, exercise all the powers vested by this Act in the Authority:

Provided that the Chairman shall not act in opposition to, or in contravention of any order of the authority at a meeting, or exercise any power, which is directed to be exercised by the Authority at a meeting."][1]

**8F. Temporary associations of persons with the Authority for particular purposes —** (1) The Authority may associate with itself in such manner and for such purposes as may be prescribed by rules any person whose assistance or advice it may desire in performing any of its functions under this Act.

(2) Any person associated with it by the Authority under sub-section (1) for any purpose shall have a right to take part in the discussions of the Authority relevant to that purpose but shall not have a right to vote at a meeting and shall not be a member for any other purpose.

**8G. Staff of the Authority —** (1) Subject to such control and restrictions as may be prescribed by rules, the Authority may appoint such number of officers and employees as may be necessary for the efficient performance of its functions and may determine their designations and grades.

(2) The officers and employees of the Authority shall be entitled to receive such salaries and allowances, if any, as may be fixed by the Authority and shall be governed by such terms and conditions of service as may be determined by rules and regulations made in this behalf."]

**["8H "Delegation of powers by Authority —** The Authority may delegate all or any of its powers under this Act to any Officer, subject to such conditions, if any, as may be specified by the Authority."][2]

## CHAPTER – III*

## Master Plan

**9. Preparation of Master Plan —** A Master Plan hereinafter referred to as "Plan" in this Act for the developmant of any area within the State which the State Government may consider necessary, shall be drawn up by the Director in consultation with the local authority/authorities concerned and submitted to the State Government for examination and approval.

1. Inserted as new Section "8EE" by the Assam Act No. XXVI of 1964, [Published in the Assam Gazette Extraordinary, dated 3rd December 1964]
2. Inserted as new Section "8H" by the Assam Act No VIII of 1985, S.6 (with effect from [illegible]